


দেখা যায় মানুহে বিভিন্ন কামকাজ সম্পাদন কৰিবলৈ যাওতে সঘনাই আনৰ লগত মিলা-মিছা কৰিবলগীয়া হয়। সেইবাবে নিজৰ আচৰণৰ বিষয়ে ভালকৈ জনাটো অতীব প্ৰয়োজন। মানুহৰ আচৰণত অভ্যাস, মনোভাব, চৰিত্ৰ আদিয়েও যথেষ্ট প্ৰভাব পেলায়। এই আচৰণ, মনোভাব আদি দৈনন্দিন চলন-ফুৰণ, কাম কাজ আদিৰ মাজেৰে নানাধৰণে প্ৰকাশ হয়। সু অভ্যাসৰ অধিকাৰীজনেহে আনক ভাল ব্যৱহাৰ কৰিব পাৰে। এই কথা ঠিক যে আনক ভাল ব্যবহাৰ কৰা জনেহে নিজেও আনৰ পৰা ভাল ব্যৱহাৰ আশা কৰিব পাৰে। সেয়েহে আনৰ লগত এনেদৰে আচৰণ কৰিব লাগে যাতে তেওঁলোক আমাৰ আচৰণৰ দ্বাৰা প্ৰভাৱান্বিত হয়।

মানুহৰ মনত কিছুমান ধাৰণা গঢ় লৈ উঠে যিবোৰে আচৰণত প্ৰভাব পেলায়। তলৰ উদাহৰণটোৰ পৰা সেই কথা বুজাত সহায়ক হ'ব।




ওপৰৰ উদাহৰণটোৰ পৰা এই কথা বুজিব পাৰি যে ১ নং শ্ৰেণীৰ মানুহে সদায় আনৰ ভাল দেখে। ২ নং শ্ৰেণীৰ মানুহেও সদায় নিজকে শুদ্ধ বুলি ভাবে। এই দুই শ্ৰেণীৰ লোক লগ লাগিলে গঠনমূলক কাম কৰিবলৈ সক্ষম হয়। যিহেতু এওঁলোকেআনৰ মতামত সন্মান সহকাৰে গ্ৰহণ কৰে, সেয়েহে এনেলোক কামত কৃতকাৰ্য হয়। এই দুই শ্ৰেণীৰ মানুহে সদায় আনৰ মঙ্গল কামনা কৰে।

সেইদৰে ৩ নং আৰু ৪ নং শ্ৰেণীৰ লোকসকল সদায় নিৰাশাত ভোগে। যিকোনো কাম কৰিবলৈ হ'লে এওঁলোকে পিচুৱাই যায়। আনহাতে আনৰ লগতো সহযোগ কৰিব নোৱাৰে। ৪ নং শ্ৰেণীৰ লোকসকলে আকৌ নিচাত্মিকা ভাবত ভোগে। হতাশাৰ চৰম পৰ্যায়ত এনেলোকে আত্মঘাটী পৰ্যন্ত কৰিব পাৰে।

৪ নং শ্ৰেণীৰ লোকে নিজকে বৰ নিকৃষ্ট বুলি ভবা হেতুকে ১ নং শ্ৰেণীৰ লোকৰ লগতো সদ্‌ভাব গঢ়ি তুলিব নোৱাৰে। এই শ্ৰেণীৰ লোক হিংসা পৰায়ণ বিধৰ হ'ব পাৰে। ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে নিজৰ তথা সমাজৰ উন্নতি কল্পে ১ নং আৰু ২ নং শ্ৰেণীৰ লোক দুবিধৰ বৰ প্ৰয়োজন।

প্ৰসঙ্গ পুথি ঃ —

"Hand book of Transactional Analysis'
Source : World Scout Bureau
Adaptation: G. Ranga Rao

# নিষিদ্ধ নাৰীৰ প্ৰসিদ্ধ কবিতা

ড° কমলেশ্বৰ ঠাকুৰীয়া
সহযোগী অধ্যাপক



বেংকক বিমান বন্দৰত অৱতৰণ কৰিয়েই তেওঁ মুৰৰপৰা কাপোৰখন আঁতৰাই দিলে। বহুদিনৰ বিৰতিত পৰম প্ৰত্যয়ৰে তেওঁ পৃথিৱীৰ বিচ্ছুৰিত অমল ৰ'দ আৰু ৰতাহত মুক্তিৰ শ্বাস ল'লে। শুশ্ৰীমুখখন দেখিয়েই চিনিব পাৰি এতিয়া আৰু স্বদেশৰ কোনো মৌলবাদীয়ে হত্যা কৰিবলৈ তেওঁক ঢুকি নাপায়। ধৰ্মীয় অনুভূতিত আঘাত হনাৰ অপৰাধত দেশৰ মুছলমান মৌলবাদীয়ে তেওঁৰ বিৰুদ্ধে মৃত্যুৰ ফটোৱা জাৰি কৰিছে, জাৰি কৰিছে দেশীয় প্ৰশাসনে জামিনবিহীন গ্ৰেফটাৰী পৰোৱানা।

'এই কাৰণে আজি মোক লক্ষ মিছলীয়াই বিচাৰিছে
ফাঁচি দিবলৈ বুলি, মই আচামীৰ হুলিয়া মূৰত লৈ
দৌৰিছো ঘোৰ অন্ধকাৰত, পোহৰ নাই, বুজিছা বাবা সামান্য পোহৰ নাই ক'তো
দেশ কি এই ভাবেই এনেদৰে ঘন ঘোৰ অন্ধকাৰত ডুবি থাকিব .... ' — বাবালৈ চিঠি

নাৰীৰ পৰ্দাপ্ৰথাৰ তেওঁ ঘোৰ বিৰোধী; কিন্তু পৰিহাসৰ কথা দেশত আত্মগোপন কৰি থকা সুদীৰ্ঘ দুমাহ কাল তেওঁ আপদমস্তক 'এক অশ্লীল আবৰণেৰে' নিজকে ঢাকি ৰাখিবলৈ বাধ্য হৈছিল। অন্যথা তেওঁৰ জীৱনৰ লগতে সেই সকলৰো জীৱনলৈ শংসয় নামি আহিলহেঁতেন, যিসকলে মৃত্যুৰ সেই মুখামুখি হোৱা চৰম দুৰ্যোগৰ সময়ত তেওঁক আশ্ৰয় প্ৰদান কৰিছিল।

হয় ঃ তেওঁৰ নাম তছলিমা নাছৰিন। বাংলাদেশৰ বহুবিতৰ্কিত নাৰীবাদী, পুৰুষতন্ত্ৰ বিৰোধী, নাস্তিকতাবাদী, স্বদেশ বিতাড়িত প্ৰখ্যাত লেখিকা ড° তছলিমা নাছৰিন। সাতোটা খণ্ডত প্ৰকাশিত আত্মজীৱনী 'আমাৰ মেয়ে বেলা'ৰ উপৰিও কেবাখনো গল্প, উপন্যাস আৰু প্ৰবন্ধ পুথিৰ লেখিকা তছলিমা নাছৰিন এগৰাকী প্ৰসিদ্ধ কবিও। বহুমাত্ৰিক তেওঁৰ কবিতা, বিচিত্ৰ বিষয় বস্তুৰ নিৰ্বাচন। নাতিদীৰ্ঘ এক চমু অবলোকনত তেওঁৰ কবিতাৰ আলোচনা সামৰি লোৱাটো অতি জটিল কাম।

কাৰ্লাইলে কৈছিল — কবিতা হ'ল সংগীতময় চিন্তা। ভাৰতীয় আলংকাৰিক বিশ্বনাথ কবিৰাজৰ 'বাক্যং ৰসাত্মকং কাব্যম্' বোলা কথাষাৰতো কাৰ্লাইলৰ চিন্তাৰ ধ্বনি অনুভৱ কৰা যায়। তছলিমা নাছৰিনৰ কবিতাৰ নান্দনিক সৌন্দৰ্য বিচাৰ প্ৰক্ৰিয়াত কাৰ্লাইল বা বিশ্বনাথ কবিৰাজতকৈ ৱৰ্ডছৱৰ্থৰ 'নিৰলাত সোঁৱৰা হিয়াৰ আৱেগ' অথবা 'উপচি উঠি আপোনা আপুনি পাৰ বাগৰি যোৱা আৱেগৰ ঢলেই কবিতা' বোলা মন্তব্যষাৰহে অধিক প্ৰযোজ্য। তেওঁৰ কবিতা তেওঁৰ জীৱনৰ দস্তাবেজ স্বৰূপ। অক্ষৰ বৃত্ত, মাত্ৰাবৃত আৰু গদ্যৰ ৰীতিত ৰচনা কৰা প্ৰতিটো কবিতাত একোটা অন্তৰ্নিহিত কাহিনী, একোটা মেছেজ নিহিত হৈ থাকে।

ছাত্ৰী অৱস্থাতেই তছলিমা নাছৰিনে 'সেঁজুতি' নামৰ কবিতা বিষয়ক এখন পত্ৰিকা প্ৰকাশ কৰিছিল। দুই বাংলাৰ বহুতো প্ৰসিদ্ধ কবিৰ কবিতা সেঁজুতিত প্ৰকাশ পাইছিল। বাংলাদেশৰ জনপ্ৰিয় কবি ৰুদ্ৰ ওৰফে মুহাম্মদ ছহিদুল্লাহে সেঁজুতিলৈ নিয়মীয়াকৈ কবিতা পঠাইছিল; দুৰ্বাৰ প্ৰেমৰ কবিতা।

'আৰু এবাৰ তুমি বৃষ্টি দিয়া দূৰৰ আকাশ ...

.... .... .... ....

তৰুণ শষ্যৰ খেতি জ্বলি গৈছে কৰাল খৰাণ্ডত।

এবাৰ মেঘ দিয়া, ক্ষমা দিয়া বৃষ্টিৰ ভাষাত,

জীৱনৰ এমুঠি শষ্য তুমি বিনাশ কৰিবা।'

অভিন্ন যৌৱনা তছলিমা নাছৰিনে ভাবিছিল এয়া যেন তেওঁকলৈ লিখা কবিতা। অৱলীলাক্রমে তেওঁৰ কবিতা প্রেম পৰ্যবেশিত হয় কবিপ্রেমলৈ। ঘৰৰ প্রচণ্ড আপত্তিকো নেওচি তেওঁ ৰুদ্রৰ সৈতে গুচি গ'ল যদিও তেওঁলোকৰ যুগ্মজীৱন সুখকৰ নহ'ল। বিপথগামী ৰুদ্রৰ সৈতে তছলিমা নাছৰিনৰ অনিবাৰ্যভাবে বিবাহ বিচ্ছেদ ঘটে। প্রিয়জনক হেৰুৱাই তেওঁ লিখিছে —

"তাতোকৈ কুকুৰ পোহা ভাল

ধূর্ত যি শিয়াল, সিও পোহ মানে,

গাখীৰ, কলদি আদৰে আহ্লাদে এক কৰি পুহিছিলোঁ ইমানদিনে,

মোকে খোঁট মাৰে

চোৰা সেই কবি আজি কিদৰে পলায়।'

— দুগ্ধৰাজ কবি

প্রত্যুত্তৰত ৰুদ্রই তাচ্ছিল্যৰ সুৰত প্রিয়াক বিদায় সম্ভাষণ জনাইছে —

'বৰং তুমি কুকুৰ পোহা ... / বৰং তুমি মেকুৰী পোহা / খাটি

জিনিচ চিনোতে তোমাৰ ভুলহৈ যায় / বিচাৰি এইবাৰ

পাইছা ঠিক দিশ ঠিকনা / লক্ষ্মী সোণা, এতিয়া তুমি

মেকুৰী তথা কুকুৰ পোহা / ... কুকুৰ খুবেই প্রভুভক্ত

তথা মেকুৰী আদৰ প্রিয় / তোমাৰ কাৰণে ইমান সামঞ্জস্য

তুমি ক'ত পাবা?'

শিশু কালতে পুৰুষৰ লাম্পট্য, দেউতাক ড° ৰজব আলিৰ নৈতিক স্খলন, যৌৱনত বাংলাৰ লব্ধ প্রতিষ্ঠি কেইবাজনো সাহিত্যিকৰ গোপন লালসা, স্বামীৰ ৰূপত তেওঁৰ জীৱনলৈ অহা কেইবাজনো পুৰুষৰ অনাচাৰ আৰু সৰ্বোপৰি বাংলাদেশৰ পীৰসকলৰ অধঃপতিত চৰিত্র দেখি তছলিমা নাছৰিনে ধীৰে ধীৰে তীব্র পুৰুষ বিদ্বেষী হৈ উছে। তাৰ প্রতিচ্ছবি তেওঁৰ কবিতাত প্রছন্ন ৰূপত দেখা যায় —

'তোমাৰ পিচত এপাল কুকুৰ লাগিছে

জানি ৰাখা, কুকুৰৰ শৰীৰত ব্যাবিচ।

তোমাৰ পিচত এপাল পুৰুষ লাগিছে
জানি ৰাখা, চিফিলিচ।'

— দৌৰা, দৌৰা

বাংলাদেশৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ তছলিমা নাছৰিনৰ প্ৰিয় নদী। হেঁপাহৰ নদীখনৰ পাৰলৈ কিশোৰী তছলিমা প্ৰথম যিদিনা ফুৰিবলৈ গৈছিল ভনীয়েক ইয়াছমিনৰ সৈতে; সেইদিনা এপাল ল'ৰাৰ মাজৰ এজন উদণ্ড ল'ৰাৰ হাতত তীব্ৰভাৱে অপমানিত হৈছিল। আন এদিন ৰিক্সাৰে গৈ থকা অৱস্থাত তেওঁৰ বাউসীত এক লম্পট ল'ৰাই জলন্ত চিগাৰেট গুজি দি ৰং চাইছিল। যাৰ চিহ্ন তেওঁ আজিও কঢ়িয়াই ফুৰিছে। ক্ষুদ্ধ কবিৰ ইচ্ছা হয় —

"ইচ্ছা হয় ল'ৰাৰ কলাৰ টানি ৰিক্সাত উঠাবলৈ
পেটত-ঘাড়ত কাতুকাতু দি হাঁহিম
ঘৰলৈ আহি হিলথকা জুতাৰে
বেধড়ক পিটি এৰি দিম — মাহ্ চালা।
মোৰ খুব ল'ৰা কিনিবলৈ ইচ্ছা হয় ... '

— বিপৰীত খেলা

তছলিমা নাছৰিনৰ মতে ধৰ্মই নাৰীক পুৰুষৰ দাসত্ব মানিবলৈ প্ৰৰোচিত কৰে। ধৰ্ম পুৰুষৰ সৃষ্টি —

'সিহঁতে তোমাক গোটেই গাত কেৰাচিন ঢালি জুই জ্বলাই দিব
সিঁহততো মানুহ নহয়, সিঁহত পুৰুষ।
সিঁহতে জেৰুজালেমত, হিমালয়ত, হেৰা পৰ্বতত বহি ধৰ্ম ৰচনা কৰিছে
এই ধৰ্মকে সিহঁতে পবিত্ৰ ঘোষণা কৰিছে .... '

— ঘুমভাঙানিয়া

প্ৰগতিবাদী চিন্তাধাৰাক ধৰ্মৰ দোহাই দি মৌলবাদীয়ে কিদৰে তছনছ কৰে সেয়া তছলিমা নাছৰিনৰ কবিতাৰ ছত্ৰে ছত্ৰে অনুভৱ কৰা যায় —

'সেইদিনা সিহঁতে তিনদফা ভাঙি চুৰমাৰ কৰিলে আমাৰ ঘৰ, তোমাৰ চেম্বাৰত
সেই ভগ্নস্তূপৰ সমুখত থিয় হৈ তোমাৰ কি মনত নহয়
ধৰ্ম বিক্ৰী কৰি খাই সিহঁতে, ধৰ্ম সিহঁতৰ মছনদত উঠা চিৰি।
তোমাৰ কি তেতিয়া মনত নহয় এয়া আচলতে বেচি খোৱাৰ
এয়া কেৱল মূৰ্খ সজোৱাৰ অন্ধ সজোৱাৰ বধিৰ সজোৱাৰ এটি তিতামিঠা ফল,
আফিম।"

— বাবালৈ চিঠি

ভাৰতবৰ্ষত যেতিয়া বাবৰি মছজিদ হিন্দু মৌলবাদীৰ আক্ৰমণত বিধ্বস্ত হৈছিল, বাংলাদেশত তেতিয়া অসংখ্য গাঁও, মন্দিৰ জুইৰ লেলিহান শিখাত দাওদাওকৈ জ্বলিছিল; অনেক হিন্দু মানুহৰ মৃত্যু হৈছিল, আহত হৈছিল অগণন লোক বিক্ষুব্ধ মুছলমান মৌলবাদীৰ হাতত। সততে বাংলাৰ সংখ্যালঘু হিন্দুসকলৰ প্ৰতি কবিয়ে নিঃস্বাৰ্থ সহমৰ্মিতা প্ৰকাশ কৰিছে —

'সতীপদ প্ৰতিদিনে আছে, আজি অহা নাই খবৰ আহিল সতীপদৰ
ঘৰ সোমাই এদল 'টুপি মূৰৰ' লোকে
পেট্ৰল ঢালি দিছে ঘৰৰ আচবাব পত্ৰত টেবিল - চিয়াৰত,
বিচনাত, আলমাৰিত, বাচনপত্ৰত,
কাপোৰ - কানিত, কিতাপত।
তাৰ পিচত ফচ্‌ফচ্‌ কৰি কিছু মেচৰ কাঠী জ্বলাই পেট্ৰল পেলোৱা ঠাইত পেলাইছে।'

— লজ্জা, ৭ ডিচেম্বৰ '৯২

কবি নিৰ্মলেন্দু গুণক তেওঁ বাংলাদেশৰ সৈতে ৰিজাইছে। কবিৰ ভাষাত —

'নিৰ্মলেন্দু গুণক মই বাংলাদেশ বুলি কওঁ,
বদৰ আলিহঁতৰ ওচৰত সৰ্বস্ব হেৰুৱাই
ফটা গাৰুত মূৰ থৈ কাথাৰে গা ঢাকি 'শুই থাকে আমাৰ বাংলাদেশ'।

— কবি নিৰ্মলেন্দু গুণ

তছলিমা নাছৰিনৰ নাৰী স্বাধীনতাৰ বাবে আপোনহীন সংগ্ৰাম বিজ্ঞ সমাজত সৰ্বজনবিদিত।

"নাৰী নিৰ্যাতিত পূবে পশ্চিমে উত্তৰে দক্ষিণে
নাৰী নিৰ্যাতিত ঘৰত, ঘৰৰ বাহিৰত,
নাৰী নিৰ্যাতিত চুলি তেওঁৰ ক'লা বা সোণালী
চকু তেওঁৰ বাদামী বা নীলা।'

— নাৰী

"অবুজ কিশোৰী কন্যা, সপোন সাধনা ভাঙে তেওঁৰ, দুখে ভৰে বুকু
এনেকুৱাই চাগে হয়, পৃথিৱীৰ এনেকুৱাই নিয়ম-কানুন।
পৈশাচিক উল্লাস কৰি নিষ্পেষিত দেহমন বাসনাৰ তেজ,
পৰম প্ৰত্যয়ে কন্যা উপহাৰ ল'লে অঙ্গত নিষিদ্ধ অসুখ।'

— নাৰী - ২

সকলো সম্ভাৱনা স্বামী-পূজাৰ বেদীত বাংলাদেশৰ নাৰীয়ে কিদৰে বিসৰ্জন দিব লগা হয়, কবিয়ে নিজ মাতৃ ঈদুল আৰাৰ অপূৰ্ণ বাসনাৰ চিত্ৰৰ যোগেদি তাক চিত্ৰিত কৰিছে।

ঈদুল আৰাৰ বহীকিতাপ চিৰি নৰ্দমাত পেলাইছে
ঈদুল আৰাৰ স্বামীয়ে
ঈদুল আৰাই এতিয়া ৰান্ধিব বাঢ়িব, সন্তান জন্ম দিব।
.....     .....     .....     ......
ঈদুল আৰাই ৰান্ধে বাঢ়ে সন্তান জন্ম দিয়ে,
তথাপি ঈদুল আৰাৰ মন পৰি থাকে কিতাপত, ঈদুল আৰাৰ দীৰ্ঘ শ্বাস বতাহত উৰে,
দীৰ্ঘ শ্বাসতো দেখা বস্তু নহয়।
ঈদুল আৰাৰ স্বামীয়ে দীৰ্ঘশ্বাসো দেখে তৃতীয় নয়নেৰে ....
...     ....     ....     ...
ঈদুল আৰাৰ দুখ বতাহত উৰে,
.....     .....     .....     .....
দুখতো দেখা বস্তু নহয়।
ঈদুল আৰাৰ স্বামীয়ে তৃতীয় নয়নেৰে এই দুখ নেদেখে,
নাৰীৰ দুখ ঈদুল আৰাৰ স্বামীৰ চকুত কিয়
দেৱতাৰো চকুত নপৰে।'

— ঈদুল আৰা

পুৰুষতন্ত্ৰ আৰু ধৰ্মৰ বেষ্টনী ভাঙি নাৰীক তেওঁ গোল্লাচুট অৰ্থাৎ গৃহত্যাগ কৰি ওলাই আহিবলৈ আহবান জনাইছে।

'দুঃখৱতী দুঃখ ভুলা
সকলো খিৰিকি খোলা,
পোহৰ বতাহৰ ঘূৰ্ণিপাকত যিমান খুচি নাচা
দুঃখৱতী বাঁচা।'

— দুঃখৱতী মেয়ে - ১

স্বপ্নাতুৰ দৃষ্টিৰে তেওঁ দেখিছে —

বস্ত্ৰবালিকাসকল দল বান্ধি আগবাঢ়িছে
যেন এজাক চৰাই উৰিছে বাংলাদেশৰ আকাশত।
.....     ......     ......     .....
বস্ত্ৰবালিকাসকল দল বান্ধি আগবাঢ়িছে
যেন পৃথিৱীৰ আকাশত উৰিছে এজাক বাংলাদেশ।'

— বস্ত্ৰবালিকাসকল

তছলিমা নাছৰিনক হত্যা কৰিবলৈ মৌলবাদীসকল যিসময়ত মৰিয়া হৈ উঠিছিল; চৰকাৰে তেতিয়া তেওঁক ৰক্ষণা বেক্ষণ দিছিল দুজন টাঙোনধাৰী অলস পুলিচ কৰ্মচাৰীৰে। সেয়াও আকৌ বিল ক্লিন্টনৰ দৰে পৃথিৱীৰ শক্তিশালী কেইগৰাকীমান নেতাৰ তাগিদাত হে। অৱশেষত ড° কামাল হুচেইনৰ দৰে অধীবক্তা, যাৰ এটি উপদেশৰ মূল্যই লক্ষ টকা, তেওঁৰ সহযোগত বিনাপাৰিশ্ৰমিকেৰে বিচাৰালয়ত তেওঁ জামিন মুক্তি পায়। চৰকাৰৰ সৈতে অলিখিত চুক্তি অনুসৰি মাজনিশা তছলিমা নাছৰিনক গৃহভূমি ত্যাগ কৰিবলৈ বাধ্য কৰোৱা হয়। বিদেশ ভূমিত ভৰি দিয়াৰ লগে লগে তেওঁৰ বাবে উদাহৰণহীন নিৰাপত্তা বেষ্ট গঢ়ি তোলা হয়। তেওঁৰ ভাষাত...

'ফ্ৰান্সত মোক বাৰশ পুলিচে আছিল ঘেৰি
পাৰি দিছিল লাল গালিছা ৰাজ্যপালসকলে
চহৰ উপচি পৰিছিল কোটি দৰ্শকেৰে
ৰজা মন্ত্ৰীও থিয় হৈছিল মহাউৎসৱৰ ভিৰত।'

— ফ্ৰান্স

নিৰাপত্তাৰ এই অভুতপূৰ্ব সমাবেশ দেখি তছলিমা হৈ পৰিছিল স্তম্ভিত, কিংকৰ্তব্যবিমূঢ়। এই মহা আয়োজন সমাপ্ত কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰিও তেওঁ হৈছিল ব্যৰ্থ।

'সৰ্বোচ্চ নিৰাপত্তা ব্যৱস্থা মোক এইবাৰ নিষ্কৃতি দিয়া
.... ..... ....... ......
মোক নিষ্কৃতি দিয়া নিউ ক্যাচেল, নটিংহাম, বেলফাষ্ট,
নিষ্কৃতি দিয়া ব্ৰাসেলচ, বন, ড্ৰেচডেন, মিউনিখ,
মই আৰু বক্তৃতা কৰিব নিবিচাৰো তোমালোকৰ উচ্চ মঞ্চত, মানুহৰ হাততালি
ফুলৰ তোড়াত মোৰ মুঠেই চখ নাই,
মোক ক্ষমা কৰা চাৰ্লচ ব্ৰিজ, ক্ষমা কৰা বুকচহেভেনৰ পাব, ক্ষমা কৰা
ইউৰোপীয়ান পাৰ্লমেণ্ট —— ।

- আমাকে নিষ্কৃতি দাও

ধৰ্মদ্ৰোহিতাৰ অপৰাধত বাংলাদেশৰ মুছলমান মৌলবাদী তথা চৰকাৰী প্ৰশাসনে তছলিমা নাছৰিনক যিদৰে কৰুণভাবে দেশত্যাগ কৰিবলৈ বাধ্য কৰিছে; একেদৰে ভাৰতবৰ্ষতো হিন্দু মৌলবাদীসকলে ফিদা মকবুল হুছেইনক ভাবুকি প্ৰদান কৰিছে হিন্দু দেৱ-দেৱীৰ অশালীন ৰূপৰ চিত্ৰ অঙ্কন কৰাৰ অপৰাধত। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল চৰকাৰে সকলো ধৰণৰ নিৰাপত্তা প্ৰদানৰ আশ্বাস দিয়া স্বত্বেও এম, এফ, হুছেইনে ভাৰতীয় নাগৰিকত্ব বিসৰ্জন দি কাটাৰৰ নাগৰিকত্ব গ্ৰহণ কৰি ভাৰতবৰ্ষ ত্যাগ কৰিছে; আনহাতে বিশ্বৰ যি কোনো উন্নত দেশতে বিচাৰিলেই সন্মানীয় নাগৰিকত্ব পাব পৰা তছলিমা নাছৰিন উদ্বাউল স্বদেশলৈ প্ৰত্যাবৰ্তন কৰিবলৈ,য'ত পৰি আছে তেওঁৰ বিৰুদ্ধে লাখ লাখ টকাৰ কেচ-মামলা, গ্ৰেফটাৰ কৰিবলৈ বৈ আছে পুলিচ প্ৰশাসন আৰু উন্মুখ হৈ আছে তেওঁক হত্যা কৰিবলৈ অগণন মৌলবাদী।

'বহুতো গ'ল, মুগ্ধ মানুহৰ দলে হাত তালি দিলে
পেৰিছত, ষ্টাচবুৰ্গত, মাৰচেইত, নান্ত্- ত।
শিৰত মুকুট পিন্ধাতো হ'ল বহুত
বহুতো হ'ল লাল দলিচা, সম্বৰ্দ্ধনা — জুৰিখত, বাৰ্চিলোনাত।

...... ...... ......... ......

এইবাৰ ঘৰলৈ উভতিম, নিখিলদা,

.... ...... ....... ....

অনেক হ'ল মহাসাগৰ সাঁতোৰা
এইবাৰ গাঁৱৰ পুখুৰীত দুটা ডুব দিম,
নিখিলদা।'

— ঘৰলৈ উভতিম

মৃত্যু গছকি তেওঁ পুনৰ স্বদেশ-স্বজনৰ মাজলৈ উভতাৰ স্বপ্ন দেখিছে—

"মোৰ কাৰণে অপেক্ষা কৰা মধুপুৰ নেত্ৰকোণা,
অপেক্ষা কৰা জয়দেবপুৰৰ চাৰিআলি
মই উভতিম।

...... ....... ...... ......

অপেক্ষা কৰা আফজল হোচেন, খায়ৰুন্নেচা, অপেক্ষা কৰা ঈদুল আবা,
মই উভতিম।

...... ....... ...... ......

ব্ৰহ্মপুত্ৰ শুনা, মই উভতিম।
শুনা শালবন বিহাৰ, মহাস্থানগড়, সীতাকুণ্ড পাহাৰ — মই উভতিম।
যদি মানুহ হৈ নোৱাৰো, চৰাই হৈ হ'লেও উভতিম এদিন।'

—— তথাপি উভতিম

# স্বাধীনোত্তৰ কালৰ অসমীয়া নাটক

মঞ্জিৰা শৰ্মা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

উনৈশ শতিকাৰ মাজ ভাগৰ পৰাই আধুনিক অসমীয়া নাটকৰ বুৰঞ্জী আৰম্ভ হ'লেও দ্বিতীয় মহাসমৰ আৰু দেশে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰাহে সামজিক, বাস্তব ধৰ্মী, জীৱন ভিত্তিক নাটকৰ প্ৰয়োভৰ আৰম্ভ হয়। আঙুলি মূৰত লেখিব পৰা কেইখনমান নাটকৰ বাহিৰে স্বাধীনতাৰ আগৰ সময়চোৱাত ৰচিত বেছিভাগ নাটকেই হয় পুৰণি আখ্যানমূলক, নহয় ঐতিহাসিক নাইবা সম্পূৰ্ণভাৱে ৰোমাঞ্চধৰ্মী। অৱশ্যে স্বাধীনতা লাভৰ পিছতেই যে পৌৰাণিক বা *বুৰঞ্জীমূলক নাটক ৰচনা সম্পূৰ্ণ বন্ধ হৈ গৈছিল এনে নহয়। ১৯৪৭-৫০ ৰ মাজৰ কেইবছৰতো* এনেধৰণৰ কেইখনমান নাটক প্ৰকাশ পাইছিল, কিন্তু এইবোৰৰ ভাব চিন্তা আৰু নাট্যৰীতি উভয় দিশতে যথেষ্ট নতুনত্ব পৰিলক্ষিত হয়। এই নাটকবিলাকৰ মাজেদি নাট্যকাৰসকলে জাতীয় চিন্তা, সমাজবাদ, মানবতাবোধ, দেশপ্ৰেম আদি আধুনিক ভাব চিন্তা প্ৰকাশ কৰিলে। বুৰঞ্জীমূলক নাটককেইখন ঘাইকৈ ব্ৰিটিছ বিৰোধী ভাৱক কেন্দ্ৰ কৰি লিখা হলেও এই নাটককেইখনে সাম্ৰাজ্যবাদী শক্তি আৰু স্বদেশী বিদেশী আদি সকলো প্ৰকাৰৰ শাসক আৰু সুবিধাবাদী শ্ৰেণীৰ শোষকৰ ৰূপটো উদঙাই দেখুৱালে।

স্বাধীনতাৰ পিছত, অৰ্থাৎ পঞ্চাশৰ দশকৰ দোকমোকালিত, অসমীয়া নাটকৰ বিষয়বস্তু, ভাৱ-চিন্তা. নাট্য প্ৰণালী আদি বিভিন্ন দিশত বিপুল পৰিবৰ্তন দেখিবলৈ পোৱা যায়। সমাজ আৰু জীৱনৰ অন্যান্য দিশৰ দৰেই নাটক ৰচনা আৰু অভিনয়ৰ বেলিকাও দ্বিতীয় মহাযুদ্ধৰ বিভীষিকাই প্ৰচুৰ ক্ষতি সাধন কৰে। যুদ্ধৰ সমাপ্তিৰ পিছত বিশেষকৈ দেশে স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা নাটক ৰচনা আৰু নাট্যাভিনয় নতুনকৈ ঠন ধৰি উঠে। এই সময়তে ৰচনা হোৱা কেইখনমান উল্লেখযোগ্য বুৰঞ্জীমূলক নাটক হ'ল — প্ৰবীন ফুকনৰ 'মণিৰাম দেৱান' (১৯৪৮), নগাওঁ মিলিত শিল্পী সংঘৰ 'পিয়লি ফুকন' (১৯৪৯) ফণি শৰ্মাৰ 'ভোগজৰা' (১৯৫৭), আব্দুল মালিকৰ 'ৰাজদ্ৰোহী' (১৯৫৮), অতুলচন্দ্ৰ হাজৰিকাৰ 'টিকেন্দ্ৰজিৎ' (১৯৫৯) আৰু উত্তম বৰুৱাৰ 'বৰবজা ফুলেশ্বৰী' (১৯৭২) আৰু 'জেৰেঙাৰ সতী' (১৯৬২)। কাহিনী বা প্লট বিকাশৰ সংহত ৰূপ উপবস্তুৰ প্ৰতি অযথা মোহ পৰিহাৰ, অংক আৰু দৃশ্য প্ৰয়োগৰ মিতাচাৰ আৰু যুগোচিত পৰিবেশ সৃষ্টি কৰা প্ৰচেষ্টা — স্বাধীনোত্তৰ কালৰ বুৰঞ্জীমূলক নাটকৰ এই আটাইকেইটা বৈশিষ্ট উক্ত নাটককেইখনত সাৰ্থক ৰূপত প্ৰকাশ পাইছে। উক্ত নাটক কেইখনত ঘটনা সংস্থাপনৰ কতো অপৰিমিতিবোধৰ, বহু বক্তিতাৰ পৰিচয় নাই। অপ্ৰয়োজনীয় ঘটনা, চৰিত্ৰৰ সমাবেশ নাই। ঘটনা, চৰিত্ৰ, সংলাপ তিনিওটাৰে নিটোলৰূপে নাটককেইখনক উচ্চ স্থানত প্ৰতিষ্ঠা কৰিছে।

স্বাধীনোত্তৰ যুগৰ সামাজিক নাটকৰ বিজয়োত্থানৰ এক বিৰাট পটভূমিআছে। ভাৰতৰ স্বাধীনতা প্ৰাপ্তিয়ে দেশবাসীৰ মনলৈ আত্মবিশ্বাস, প্ৰত্যাশা ঘুৰাই আনিলে। স্বাধীনতাই সমাজৰ গতি-প্ৰকৃতি সম্পূৰ্ণ সলনি কৰি দিলে। সমাজৰ পৰিবৰ্তিত প্ৰকৃতিয়ে নাটকৰ ৰূপ ৰীতিতো প্ৰভাব পেলালে। বিষয়বস্তুৰ ক্ষেত্ৰত সামাজিক সমস্যা, সামাজিক চেতনা, ব্যক্তি স্বাতন্ত্ৰ তথা ব্যক্তিগত ভাব চিন্তা, দ্বন্দ্ব, অৰ্থনৈতিক সমস্যাই প্ৰাধান্য পালে। বিষয়বস্তুৰ পৰিমিতিবোধ, লক্ষ্যাভিমুখী গতি, সংলাপৰ বাস্তৱধৰ্মীতা, উপযুক্ত সংযত ব্যৱহাৰ, মঞ্চ কলাৰ নাট্যধৰ্মী গুণ, আবেদনময়তা, চৰিত্ৰানুপযোগী পৰিবেশ উপযোগী আৱহ সংগীত, সহ অভিনয়, ন-ন নাট্যৰীতিৰ প্ৰয়োগ আদি স্বাধীনোত্তৰ কালৰ সামাজিক নাটকৰ অন্যতম বৈশিষ্ট্য।

স্বাধীনোত্তৰ কালৰ সামাজিক নাটকৰ আটাইবোৰ ভাৱ লক্ষণ ৰীতিৰ সমন্বয়ৰূপত সফল ৰূপায়ণ ঘটিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' (১৯৪৮) নাটকত। যুদ্ধোত্তৰ যুগৰ নাটকবোৰত গতানুগতিক নাট্যৰীতিৰ ট্ৰেজেদি, কমেডি, সন্ধি আদিৰ

সংজ্ঞা উলংঘা কৰা হৈছে। লভিতাই প্ৰথম এই গতানুগতিকতাৰ প্ৰাচীৰ ভাঙি নব্য দৃষ্টিভঙ্গীৰ বাট প্ৰশস্ত কৰি দিলে। ইয়াৰ পিছত অসমীয়া সামাজিক নাটকৰ গতি প্ৰকৃতিৰ বিচিত্ৰ ৰূপী পখিলাৰ মিছিল পৰিলক্ষিত হয়।

ষষ্ঠ সপ্তম দশকত সামাজিক সমস্যামূলক বাস্তৱধৰ্মী নাটক ৰচনা কৰা উল্লেখযোগ্য নাট্যকাৰসকল আৰু তেওঁলোকৰ প্ৰধান নাটকবিলাক হ'ল — সাৰদা বৰদলৈ (মগৰীবৰ আজান, পহিলা তাৰিখ, ১৯৫৬, সেই বাটেদি, ১৯৫৭), অনিল চৌধুৰী (প্ৰতিবাদ, ১৯৫৩), ফণী শৰ্মা (চিৰাজ, ১৯৪৭, কিয় ? ১৯৬৩), প্ৰবীন ফুকন ( শতিকাৰ বান, ১৯৫৮, বিশ্বৰূপা ১৯৬১),সত্যপ্ৰসাদ বৰুৱা (শিখা, ১৯৫৭, জ্যোতিৰেখা, ১৯৫৮), প্ৰফুল্ল কুমাৰ বৰুৱা (আশাৰ বালিচৰ, ১৯৫৪), লক্ষ্যধৰ চৌধুৰী (নিমিলা অংক, ১৯৬৫), ফণী তালুকদাৰ (জুয়ে পোৰা সোণ, ১৯৬৭), সৰ্বানন্দ পাঠক (অনধিকাৰ ১৯৬২), দুৰ্গেশ্বৰ বৰঠাকুৰ (বা-মাৰলী, ১৯৬১), অৰুণ শৰ্মা (জিন্‌টি ১৯৬২)। এই নাটকবোৰৰ বেছিভাগেই সামাজিক সংস্কাৰমূলক বাস্তৱধৰ্মী নাটক। সামাজিক শোষণ দুৰ্নীতি, অসূয়া-অপ্ৰীতি, শ্ৰেণী বিৰোধ, নতুন আৰু পুৰণি এই দুয়ো পুৰুষৰ মাজৰ মূল্যবোধৰ পাৰ্থক্যৰ বাবে সৃষ্টি হোৱা সংঘাত,পাৰিবাৰিক অশান্তি, পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি আদি হ'ল এই নাটকবোৰৰ মূল বিষয়বস্তু।

স্বাধীনতাৰ পাছৰ দুটা দশকত একাংকিকা নাটকৰ জনপ্ৰিয়তা মন কৰিবলগীয়া। ষষ্ঠ সপ্তম দশকত একাংকিকা ৰচোতাসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল বীণা বৰুৱা (এবেলাৰ নাট), সত্যপ্ৰসাদ বৰুৱা (আনাৰকলি, কুনাল-কাঞ্চন, শাশ্বতী, ভাশ্বতী), দুৰ্গেশ্বৰ বৰঠাকুৰ (নিৰুদ্দেশ), প্ৰবীন ফুকন ( ত্ৰিতৰংগ), ভবেন শইকীয়া (পুতলানাচ),

প্ৰচলিত বাস্তৱধৰ্মী প্ৰকৃতিবাদী সামাজিক নাটকৰ প্ৰতিক্ৰিয়া স্বৰূপে আৰু সামাজিক নাটকৰ সংগতি, সামঞ্জস্য আৰু অৰ্থময়তাৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱাৰ পৰিণতিস্বৰূপে পাশ্চাত্য নাট্য সাহিত্যত এবছাৰ্ড, অৰ্থাৎ উদ্ভট নামৰ এক শ্ৰেণীৰ নাটকৰ জন্ম হয়। এই শ্ৰেণীৰ নাটকৰ কাহিনীৰ কোনো নিৰ্দ্দিষ্টতা নাই, সংগতি নাই, আদি অন্তৰো কোনো সামঞ্জস্য নাই। উপস্থাপনৰ গতানুগতিক নিয়মো ইয়াত উলংঘা কৰা হৈছে। পঞ্চাশৰ দশকতে ইউৰোপীয় নাট্যসাহিত্যত উদ্ভৱ হোৱা এবছাৰ্ড ধৰ্মী নাটকৰ সোঁতটো অসমীয়া সাহিত্যলৈ বোৱাই আনে অৰুণ শৰ্মাৰ 'নিবাৰণ ভট্টাচাৰ্য্য', আহাৰ, বসন্ত শইকীয়াৰ 'মানুহ', অসুৰ আদি কেবাখনো উল্লেখযোগ্য নাটকে।

এইখিনিতে উল্লেখযোগ্য যে এই শতিকাৰ চতুৰ্থ দশকৰ পৰাই গান্ধীৰ উপৰিও মাৰ্ক্স আৰু ফ্ৰয়দৰ দৰ্শন আৰু চিন্তাৰ দ্বাৰা প্ৰভাৱান্বিত নাটক ৰচিত হৈছিল। সত্তৰৰ দশকত ওলোৱা কেইখনমান নাটকত নতুন আঙ্গিক আৰু নাট্যশৈলী প্ৰয়োগ কৰি সমাজবাদী আৰু যুক্তিবাদী চিন্তাৰ প্ৰকাশ ঘটোৱা আৰু চৰিত্ৰৰ অন্তৰ্দ্বন্দৰ মনস্তাত্বিক বিশ্লেষণৰ প্ৰচেষ্টা চলোৱা মন কৰিবলগীয়া কথা। এই সময়ত প্ৰকাশিত নাটকবোৰৰ ভিতৰত পোনতে মনলৈ অহা নাটক হৈছে হিমেন্দ্ৰকুমাৰ বৰঠাকুৰৰ বাঘ (১৯৭১)। এই বাঘ আচলতে বাঘ নহয়, সমসাময়িক সমাজৰ সৰ্বগ্ৰাসী সমস্যাৰ ই যেন এক প্ৰতিভূ। সামাজিক চেতনা, যুক্তিবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ স্পষ্ট প্ৰতিফলন ঘটা কেইখনমান নাটক আলি হাইদৰৰ 'এটি চোলাৰ কাহিনী', অৰুণ শৰ্মাৰ 'চিঞৰ', মহেন্দ্ৰ বৰঠাকুৰৰ 'জন্ম', ইত্যাদি। আধুনিক জীৱনৰ জটিলতা আৰু সমাজৰ নানা সমস্যাৰ আধাৰত নাটক ৰচনা কৰি খ্যাতি অৰ্জন কৰা সত্য প্ৰসাদ বৰুৱাৰ অন্যতম বিশেষত্ব হ'ল চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ। এই ক্ষেত্ৰত আলোচ্য সময়ছোৱাত প্ৰকাশিত নাটক 'নায়িকা নাট্যকাৰ (১৯৭৬) আৰু 'মৃণাল মাহীৰ' (১৯৭৭) কথা বিশেষভাবে উল্লেখনীয়।

১৯৫০ চনৰ পাছৰ দশককেইটাত ভালকেইখন বিদেশী নাটক অসমীয়ালৈ অনুবাদ কৰা হয়। স্বাধীনোত্তৰ কালত ওলোৱা এই ধৰণৰ নাটকৰ ভিতৰত অতুলচন্দ্ৰ হাজৰিকাৰ 'অশ্ৰু তীৰ্থ' উল্লেখযোগ্য। এইখন শ্বেক্সপীয়েৰৰ 'কিং লিয়েৰৰ' অভিযোজনা, ইয়াৰ দুবছৰ পিছত এইজনা নাট্যকাৰৰে 'বণিজ কোঁৱৰ' "দ মাৰ্চেন্ট অৱ ভেনিছ" নাটকৰ অনুবাদ হিচাপে ওলায়। অসমীয়া নাটকৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা বিদেশী নাট্যকাৰসকলৰ ভিতৰত শ্বেক্সপীয়েৰৰ পিছতেই ইব্‌ছেনৰ স্থান। পঞ্চাশ যাঠিৰ দশকত ওলোৱা প্ৰথমখন নাটক হ'ল পদ্ম বৰকটকীৰ পুতলা ঘৰ (১৯৫৯), এইখন ইব্‌ছেনৰ "A Doll's House" নামৰ নাটকৰ অভিযোজনা,

সত্যপ্ৰসাদ বৰুৱাৰ 'বনহংসী' (১৯৬২) ইব্‌ছেনৰ "The Wild Duck" ৰ ৰূপান্তৰ। ইয়াৰ পাছত "The Ghosts" নামৰ বিখ্যাত নাটকখন 'ভূত' (১৯৬৫) নাম দি মহেন্দ্ৰ বৰাই অনুবাদ কৰে। অন্যান্য প্ৰকাশিত অনুবাদ নাটকৰ ভিতৰত মৃচ্ছকটিকা (ভবেন্দ্ৰনাথ হাজৰিকা), এন্টিগনি (প্ৰফুল্ল দত্ত গোস্বামী), মালবিকাগ্নিমিত্ৰম্ (ৰামেশ্বৰ বৰা), বিক্ৰমোৰ্বশীয়ম (ৰামেশ্বৰ বৰা) দূত বাক্য (মহেশ্বৰ হাজৰিকা) আদি উল্লেখযোগ্য।

আশীৰ দশকত ভাৰতৰ অন্যান্য প্ৰদেশিক সাহিত্যৰ লেখীয়াকৈ অসমীয়া নাটকতো নতুন ধৰণৰ পৰীক্ষা নিৰীক্ষা দেখা যায়। প্ৰধানকৈ আধুনিক নাটকৰ আংগিকৰ লগত লোক নাট্যৰ সমলৰ সমন্বয় ঘটাই নাটক ৰচনা কৰা প্ৰচেষ্টা উল্লেখযোগ্য। আধুনিক সামজিক নাটক আৰু লোকনাট্যৰ ভিতৰত যুগল দাসৰ 'বায়নৰ খোল' (১৯৮২) ৰ কথা পোনতে মনলৈ আহে। 'বায়নৰ খোলত' অতি ফলপ্ৰসূভাবে আধুনিক সামাজিক নাটকৰ কোলাত অংকীয়া ভাওনা উপস্থাপন কৰা হৈছে। ইয়াৰ উপৰিও সতীশ ভট্টাচাৰ্য্যৰ 'মহাৰাজা', আনন্দ মোহন ভাগৱতীৰ 'জতুগৃহ' আদি নাটকত এই ধৰণৰ প্ৰচেষ্টা চলোৱা হৈছে।

স্বাধীনোত্তৰ কালৰ নাট্য আলোচনাত আৰু দুবিধ নাটকৰ সংযোজনৰ কথা নক'লে আলোচনা আধৰুৱা হৈ ৰ'ব। সেই দুবিধ নাট্যধাৰা হ'ল — অনাতাঁৰ নাট্যধাৰা আৰু বাটৰ নাটক। ১৯৪৮ চনত গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ পৰা অসংখ্য নাটক প্ৰচাৰিত হৈছে। একাংকিকাৰ দৰেই এই শ্ৰেণীৰ নাটেও অসমীয়া নাট্যসাহিত্যৰ ভৰাল চহকী কৰিছে। বাটৰ নাট অতি সাম্প্ৰতিক নাট্যধাৰা। ব্যস্ততাপূৰ্ণ মানৱ জীৱনক তাৎক্ষণিক দৰ্শনেৰে নাট উপভোগ কৰাৰ সুবিধা প্ৰদান, বিশেষ মঞ্চ, নাট্য নিৰ্দেশিত বিভিন্ন সামগ্ৰী, আলোক সম্পাত আদি অবিহনে আৰু বিশেষ প্ৰস্তুতি অবিহনে এই নাট উপভোগ কৰিব পাৰি বাবে ইয়াৰ জনপ্ৰিয়তা বাঢ়িছে।

ওপৰৰ আলোচনাৰ পৰা এই কথা প্ৰতীয়মান হয় যে স্বাধীনোত্তৰ কালৰ অসমীয়া নাটকৰ এক বহল ভিত্তি আছে। প্ৰকাশিত - অপ্ৰকাশিত যথেষ্ট সংখ্যক নাটক অসমৰ ইমুৰৰ পৰা সিমূৰলৈ বিভিন্ন ঠাইত মঞ্চস্থ হৈছে। নাট্যকাৰ সকলে বিভিন্ন উপায়ে ইয়াক সৰ্বসাধাৰণ ৰাইজৰ আপোন কৰি তুলিবলৈ যত্নপৰ হৈছে আৰু এই ক্ষেত্ৰত তেওঁলোক যথেষ্ট পৰিমাণে সফল হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে।

## গ্ৰন্থপঞ্জী

১। মহেশ্বৰ নেওগ — "অসমীয়া সাহিত্যৰ ৰূপৰেখা", গুৱাহাটী ১৯৭০
২। ড° সত্যেন্দ্ৰনাথ শৰ্মা — অসমীয়া নাট্য সাহিত্য , ৩য় সংস্কৰণ, গুৱাহাটী ১৯৭৩
৩। সত্যপ্ৰসাদ বৰুৱা — নাটক আৰু অভিনয় প্ৰসঙ্গ, ৩য় প্ৰকাশ, গুৱাহাটী ১৯৬৭।
৪। সত্যপ্ৰসাদ বৰুৱা — (সংকলন আৰু সম্পাদন) অসমীয়া একাংক নাট্য সংকলন, সাহিত্য অকাডেমি, ১ম প্ৰকাশ, ১৯৯১
৫। হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য — অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, ২য় সংস্কৰণ, গুৱাহাটী, ১৯৭০।
৬। লীলা গগৈ (সম্পাদিত) — আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, ১ম সংস্কৰণ, ডিব্ৰুগড়, ১৯৯০।
৭। অৰুণ শৰ্মা (সম্পাদিত) — অনাতাঁৰ নাট্যাৱলী, ১ম সংস্কৰণ, অসম প্ৰকাশন পৰিষদ, ১৯৮৪।
৮। পোনা মহন্ত — নাটক আৰু নাট্যকাৰ, ২য় সংস্কৰণ, ডিব্ৰুগড়, ১৯৯২।
৯। নাটক — সম্পাদক ঃ মৃণালকুমাৰ গগৈ, গৰীয়সী সংঘ, ডিগবৈ।
১০। অসম সাহিত্য সভা পত্ৰিকা — সম্পাদক - ড° বসন্ত কুমাৰ গোস্বামী ত্ৰিপঞ্চাশতম বৰ্ষ, দ্বিতীয় সংখ্যা, আগষ্ট ১৯৯৭।

# ৰত্নগৰ্ভা মাজুলী

শ্ৰী মৃদুস্মিতা ভট্টাচাৰ্য
উঃ মাঃ ১ম বৰ্ষ (কলা শাখা)

ডাঙৰেই হওঁক বা সৰুৱেই হওঁক, সকলো ঠাইৰে ইতিহাস আছে। তাতে সামাজিক, সাংস্কৃতিক, ভৌগলিক তথা বিশেষ কাৰণত যদি ঠাইখণ্ড গুৰুত্বপূৰ্ণ হয়, সেই ঠাইৰ ইতিহাস থকাৰ উপৰিও ইয়াৰ ইতিহাস অধ্যয়ন কৰাটোও প্ৰয়োজনীয় হৈ পৰে। ঠিক সেইদৰে 'মাজুলীৰ' গুৰুত্বও সামাজিক, সাংস্কৃতিক, ভৌগলিক দিশেৰে চালি-জাৰি চায়েই আলোচনাৰ দিশলৈ আগবাঢ়িছো।

পৃথিৱীৰ বৃহত্তম নদী দ্বীপ মাজুলী, শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশাল সাংস্কৃতিক আৰু ধৰ্মীয় মাৰ্গদৰ্শনেৰে উজ্জীৱিত, সত্ৰ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মাজুলী। আনহাতে প্ৰাকৃতিক শোভাই ইয়াৰ ৰূপত ৰহন চৰাইছে।

জনবিশ্বাসৰ মতে —

"ঢোল বায় ক'ত
ৰতনপুৰত
খোল বায় ক'ত
ৰতনপুৰত"

সেই ৰতনপুৰৰ সৈতে মাজুলীৰ পুৰণি ইতিহাস জড়িত। অতীতৰ আৰিমত্ত নামৰ এজন ৰজাই পুণ্যধাম মাজুলীৰ উজনিৰ অংশত বিশ্বনাথৰ পৰা মাজুলীলৈ ৰাজত্ব কৰিছিল বুলি জনবিশ্বাস আছে। সেই আৰিমত্ত ৰজাৰ ধন-ৰত্নৰ দ্বাৰা স্থাপিত ৰতনপুৰ নগৰেই কালক্ৰমত ৰতনপুৰ নামে জনা যায়। অতীতত সৃষ্টি হোৱা সেই ৰতনপুৰ নগৰখন নাই যদিও বৰ্তমান মাজুলীত ৰতনপুৰ নামটো এতিয়াও আছে।

"মাজুলী" শব্দৰ অৰ্থ হৈছে - 'মা' মানে লক্ষ্মী অৰ্থাৎ সমৃদ্ধি আৰু 'জুলী' ৰ অৰ্থ হৈছে - ভৰাঁল; অৰ্থাৎ সমৃদ্ধিৰ ভৰাঁল। এই মাজুলীত অনেক সম্প্ৰদায়ৰ লোকে বাস কৰে। এইবোৰৰ ভিতৰত মিচিং, দেউৰী, কোচ, নেপালী, চুতীয়া, ব্ৰাহ্মণ. কৈৱৰ্ত, সোণোৱাল, কছাৰী, আহোম, নাথ, কলিতা, বঙালী আদি বিভিন্ন বৈচিত্ৰময় জনগাঁথনিগত উপাদানৰ পাৰস্পৰিক আচাৰ, ৰীতি-নীতি, সাংস্কৃতিক পৃষ্ঠভূমিৰে বৰ্ণিল ৰূপ লোৱা মাজুলীত প্ৰকৃতিৰো উদাৰহস্ত সৌন্দৰ্যৰ সাহচৰ্য পোৱা যায়। ফলত বিশ্বৰ বৃহত্তম নদী দ্বীপটোৱে বহন কৰি আছে পৰ্য্যটন কেন্দ্ৰিক অৰ্থনৈতিক সম্ভৱনাৰ আকাৰ। ব্ৰহ্মপুত্ৰ নদী দ্বীপটোৰ বুকুৰ সত্ৰসমূহ অপূৰ্ব স্থাপত্য -ভাস্কৰ্য, সাঁচিপতীয়া পুথি-পাজি, জনগোষ্ঠীয় শিপিনীৰ হাতেৰে বোৱা বস্ত্ৰ তথা অন্যান্য সাংস্কৃতিক উপাদান, চালে চকুৰোৱা দেশী-বিদেশী চৰাইৰ কলকলনি, আদিৰে মাজুলী দ্বীপটো পৰিবেষ্টিত।

ভক্তপ্ৰাণ অসমবাসীৰ বাবে সাংস্কৃতিক ঐতিহ্য আৰু ধৰ্মীয় ৰীতি-নীতিৰ মধুময় গুঞ্জনেৰে ঐশ্বৰ্যশালী এক পবিত্ৰ স্থান, সত্ৰ -সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, অসমীয়া সংস্কৃতিৰ সম্পদ তথা ঐতিহ্যৰ প্ৰাণমজ্জা, অসমৰ সমাজ জীৱনক অভূতপূৰ্বভাৱে জগাই তোলা সত্ৰ আৰু সত্ৰ কেন্দ্ৰীক ভাৱাদৰ্শণ, পৰম্পৰা, ধৰ্মীয় মাৰ্গ, সাংস্কৃতিক এক পবিত্ৰ প্ৰসাৰ ভূমি হ'ল মাজুলী।

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ মিলনভূমি আৰু আহোম স্বৰ্গদেউসকলৰ প্ৰচেষ্টাত বৈষ্ণৱ ধৰ্মৰ প্ৰধান কেন্দ্ৰস্থল হৈ পৰে

মাজুলী। এই মাজুলীত আহোম স্বৰ্গদেউসকলে তিনিখন সত্ৰ স্থাপন কৰি থৈ যায়। ২৭ শতিকাৰ মাজভাগতে স্থাপন কৰা এই তিনিখন সত্ৰ ক্ৰমে — আউনিআটি, দক্ষিণপাট আৰু গড়মূৰ সত্ৰ। সত্ৰীয়া সংস্কৃতিৰ, কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ সত্ৰবিলাকত প্ৰত্যেক বছৰে নিয়মীয়াকৈ অনুষ্ঠিত হোৱা ভাওনা, ৰাস, জন্মাষ্টমী আদি সাংস্কৃতিক অনুস্থানত ৰাজ্যখনৰ বিভিন্ন ঠাইৰ ভক্তসকলৰ সমাগমৰ উপৰিও দেশী-বিদেশী পৰ্য্যটকসকলৰ সমাগম হোৱা দেখা যায়। মাজুলীত অনুষ্ঠিত ৰাসোৎসৱ বিশেষভাৱে মন কৰিবলগীয়া। অন্য ঠাইৰ ৰাসৰ লগত মাজুলীৰ ৰাসোৎসৱৰ পাৰ্থক্য দেখা যায়। মাজুলীৰ ৰাস মহোৎসৱৰ ভিতৰত দক্ষিণপাট সত্ৰৰ ৰাস উৎসৱ বিশেষভাৱে মনকৰিবলগীয়া। সম্পূৰ্ণ সত্ৰীয়া আৰ্হিৰে গীত আৰু সূত্ৰধাৰৰ জৰিয়তে কাহিনী বৰ্ণনা কৰা দক্ষিণ পাট সত্ৰৰ ৰাসৰ প্ৰধান বিশেষত্ব। আনহাতে গড়মূৰ সত্ৰৰ ৰাসো সুপ্ৰসিদ্ধ। শ্ৰীকৃষ্ণৰ জীৱন লীলাক কেন্দ্ৰ কৰি এই উৎসৱ পালন কৰা হয়। ৰাস হৈছে এক বৈষ্ণৱ উৎসৱ।

আনহাতে মাজুলীৰ সাংস্কৃতিক অনুষ্ঠান সমূহৰ ভিতৰত ভাওনা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। মাজুলীৰ বৈষ্ণৱ সংস্কৃতিৰ প্ৰধান অংগ হ'ল ভাওনা। বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ ক্ষেত্ৰত এই ভাওনাবোৰে বিশেষভাৱে অৱদান আগবঢ়াই আহিছে।

বৰ্তমান দুই এখন সত্ৰক বাদ দি সকলোবোৰ সত্ৰই কৃষ্টি, সংস্কৃতি আৰু কাৰিকৰী কলাসাধনৰ প্ৰাণকেন্দ্ৰ। সত্ৰ-সংস্কৃতিৰ উপৰিও মাজুলীত মিচিং জনজাতিসকলৰ নানা উৎসৱ পাৰ্বন পালন কৰা হয়। তেওঁলোকৰ ঐনিতম, এড়ি আৰু মিৰিজিম্ শিল্প বিখ্যাত। মাজুলীত পালনামৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় বিশাল মেলা।

সত্ৰ-সংস্কৃতি, কলা সংস্কৃতিৰ প্ৰচুৰ গুৰুত্ব থকা সত্বেও সংশ্লিষ্ট কৰ্তৃপক্ষৰ অৱহেলাৰ কাৰণে এই "ৰত্নগৰ্ভা মাজুলী" সম্প্ৰতি নিশ্চিহ্ন হোৱাৰ পথত অগ্ৰসৰ হৈছে। বানপানী, গৰাখহনীয়াৰ পৰা দ্বীপটোক ৰক্ষা কৰিবলৈ যত্ন নকৰাৰ কাৰণে এতিয়া তাৰ আধভাগহে আছে। সেয়ে আজিৰ প্ৰজন্মই মাজুলীৰ বাবে কিবা এটা কৰাৰ নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে। নহ'লে কালৰ প্ৰবল সোঁতত মাজুলী নিশ্চিহ্ন হৈ যাব ব্ৰহ্মপুত্ৰৰ বুকুত। তেতিয়া ভৱিষ্যতৰ প্ৰজন্মৰ বাবে মাজুলী জীয়াই থাকিব কেৱল এক মনোৰম কাহিনী হৈ, এটি মধুৰ সাধুকথা হৈ .........।

## মহৎ লোকৰ বাণী

- জীৱনত সময় বৰ কম, পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা —— কৃষ্ণকান্ত সন্দিকৈ
- যিয়ে কিছু পৰিমাণে হ'লেও আনৰকথা নাভাবে তেওঁ জীয়াই থকাটোৱে অৰ্থহীন —— মন্টেইন
- ধূৰ্তামিতকৈ সৎ প্ৰবৃত্তি বেছি আদৰণীয়। সৎ প্ৰবৃত্তিয়ে মানুহৰ মুখমণ্ডলত এক অতুলনীয় সৌন্দৰ্য দান কৰে — এডিছন
- বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত মানুহে ধন, মান আৰু যশস্য লাভ কৰে — সত্যনাথ বৰা
- নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকা, তেতিয়াহে সংসাৰক প্ৰকৃততে ভাল পাব পাৰিবা — বিবেকানন্দ
- দুৰ্ভাগ্য পাখি মেলি উৰি আহে আৰু খোজকাঢ়ি গুচি যায় — এইচ জি বন
- কোনো শ্ৰমেই বিফলে নাযায়। কোনো মহৎ কামৰো ছন্দ পতন নহয় —— চাৰ্লছ ডিকেন্স
- হিংসা, গৰ্ব, ধনলিপ্সা — ইহঁত তিনিটা জুইৰ ফিৰিঙতি, ইহঁতে হৃদয়খন সম্পূৰ্ণৰূপে দগ্ধ কৰে — ডান্টে
- চৰিত্ৰ গঠন কৰাই শিক্ষাৰ উদ্দেশ্য — হাক্সলি।

শ্ৰীজ্যোতিময় ভৰালী
উঃ মাঃ প্ৰথম বৰ্ষ

# আজিৰ সমাজ আৰু দুৰ্নীতি

শ্ৰীশিৰোমণি তালুকদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

আজিৰ সমাজ আৰু দুৰ্নীতি, বিষয়টো ৰসাল নহয় আৰু এজন ১৭ বছৰীয়া লেখকৰ লিখনীৰ বিষয় হোৱাটোও ছাগে অনুপযোগী। তথাপি মনৰ হেচা আৰু হাতখনে সহ্য কৰিব নোৱাৰা বাবেই লিখিছো।

দুৰ্নীতি শব্দটো ছাগে সকলোৰে পৰিচিত আৰু কোনোৱে হয়তো ইয়াৰ সংজ্ঞাও দাঙি ধৰিব পাৰিব, এজন প্ৰখ্যাত পেচাদাৰীৰ দৰে। মই পিছে ইয়াত সংজ্ঞা দিব বিচৰা নাই আৰু কোনো যুক্তি সংগত বা বিজ্ঞান সন্মত সংজ্ঞাও বিচৰা নাই দুৰ্নীতিৰ। তথাপি যদি কোনোৱে ইয়াত দুৰ্নীতিৰ সতে পৰিচয় লব বিচাৰে তেওঁলোকৰ বাবে যিকোনো এখন বাতৰি কাকত লুটিয়াই চালেই যথেষ্ট হ'ব বুলি ভাবো।

আজিৰ সমাজত সূৰ্য্যও যেন দুৰ্নীতিৰ সতে খোজ মিলাব পৰা নাই। কথাষাৰ এই কাৰণেই কৈছো যে সূৰ্য্য এটা সময়ত অস্ত গৈ জিৰণি লয়। কিন্তু দুৰ্নীতি মহাশয়ৰ জিৰণি ল'বলৈও সময় নাই। মহাশয়ৰ বাবে যেন ২৪ ঘন্টীয়া এদিনত ১২ মহীয়া এবছৰৰ কাম। পুৱাৰ চাহত চৰকাৰী চাকৰিৰ বেহা, দুপৰীয়াৰ আহাৰত মানুহৰ দৰ-দাম। আবেলি আহিল মানেটো কথাই নাই, হত্যা, ধৰ্ষণ, লুণ্ঠন বিস্ফোৰণ আদিৰ যেন এখন বিশাল বজাৰ, আধুনিক ভাষাত এটা শ্বপিং ম'ল। মাজৰাতি নৈশ ক্লাব -- তাতে আকৌ ঘটিযোৱা আৰু ঘটিবলগীয়া কামৰ ক'ত যে আলোচনা। বাঃ হেৰা মহাশয় তোমাৰ যে সচাই সময় নাই। এইখিনিতে আপোনাক কৈ থওঁ। মহাশয়ৰ পিচে ঠিকনাৰ অভাৱ নাই। পুৱা মুখত গুৱাখন ভৰাই এবাৰ বাট পালেই যে তেওঁৰ সতে মোৰ কিমান দেখা-সাক্ষাৎ তাৰ হিচাপ দিয়া কঠিন। পথ নিৰ্মাণ, দলং নিৰ্মাণ, মথাউৰি নিৰ্মাণ আদিত দেখোন মহাশয়ে চাহাবী পোছাক পিন্ধি জিলিকি থাকে তাতে আকৌ যিটোহে ৰঙা টুপি। আগত নিৰ্মাণ বুলি মই কৈছো যদিও নিৰ্মাণ, পুনৰ নিৰ্মাণ, লুণ্ঠন, ধ্বংস নে মৰণ-ফান্দ তাৰ জ্ঞান হ'লে মোৰ নাই।

আকৌ পাহৰিছিলোৱেই মহাশয়ৰ সম্পত্তিৰ তালিকাখনো কিন্তু বেচ দীঘল। তালিকাখন লিখাৰ ইচ্ছা নাই, কাগজৰ অভাৱ। চৰকাৰী ঘৰ , ৰঙা লাইট থকা গাড়ীবোৰ, ইউনিফৰ্মত থকা মানুহবোৰ তোমাৰেই নহয় জানো ?

মহাশয়ৰ কথা বহুত ক'লো আৰু মই কোৱাত কৈয়ো বহু বেচি আপোনালোকে দেখিছে, শুনিছে বা ভুগিছেও। পিছে এই খিনিতে পুনৰ ক'ব বিচাৰিম যে মহাশয়ৰ সম্পত্তি বহুত হ'ব পাৰে, প্ৰহৰী বহু হ'ব পাৰে। মহাশয়ে আচলতে সম্পত্তি গঢ়িছে সঁচা, ইউনিফৰ্মবোৰ ভাড়াত লৈছে সঁচা কিন্তু মহাশয়ে এদিন জিৰণি লব যিদিনা আপুনি ভাবিব সম্পত্তিবোৰ তেওঁ ক'ত পালে ? যিদিনা ৰাতিপুৱা আপুনি বাতৰি কাকত পঢ়িয়েই তাক জাপি নথব টেবুলৰ তলত, বৰঞ্চ তাৰ প্ৰতি খিলা কাকতৰ কথাবোৰ বিবেচনা কৰিব আৰু তাৰ খতিয়ান দাঙি ধৰিব দুৰ্নীতি মহাশয়ৰ ওচৰত। দেখিব 'এটুপ এটুপ কৰি ডাৱৰৰ পানী ভৰি গ'ল বহল সাগৰ'ৰ দৰেই -- মহাশয়ৰো খতিয়ানৰ বোজা হিমালয় হ'ব আৰু তেতিয়াই মহাশয়ে চিৰ জিৰণি লবৰ বাবে আপোনাৰ হাতে ভৰি ধৰিব।

আপুনিও জানেময়ো জানো মহাশয়ে সকলো কিনিব পাৰে, সকলো বেছিব পাৰে কিন্তু তেওঁ কিনিব নোৱাৰে আপোনাৰ মাজৰ নিস্বাৰ্থতা আৰু জাতিৰ পিতাৰ আদৰ্শ। যেতিয়াই এই দুই মালাই একো-একোটা পদবী সজাব পাৰিব তেতিয়াই আমাৰ সমাজৰ দুৰ্নীতি মহাশয়ে নিজে গঢ়া চৰকাৰী গৃহতে কাৰাবন্দী হৈ ৰ'ব।

কথাখিনিৰ গঠন মূলক সমালোচনা আৰু অবাঞ্চিত ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিম- Its time to face and lets do the work

# ডাইক্ল'ফেনাক ঃ শগুনৰ এক নীৰৱ ঘাটক

ড° ৰেখা ছেত্ৰী
প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

এযুৰি সুতীক্ষ্ণ চকু যিয়ে সিহঁতক মুক্ত আকাশৰ বুকুৰ পৰা হাজাৰ ফুট নিলগত তলৰ মাটিত থকা খাদ্যৰ অনুসন্ধান কৰাত সহায় কৰে, এটা শক্তিশালী আকোঁহা ঠোঁট আৰু লগতে এটা পাখিবিহীন উদং ডিঙি যাৰ সহায়ত সিহঁতে মাত্ৰ কেইমিনিটমানৰ ভিতৰতে এটা বৃহদাকাৰ জন্তুৰ মৰাশ খাই শেষ কৰিব পাৰে আৰু এযোৰ বিশাল শক্তিশালী ডেউকা যাৰ সহায়ত সিহঁতে মুকলি আকাশৰ সুউচ্চ স্তৰত অনায়াসে উৰিব পাৰে — এইবোৰ হ'ল এসময়ৰ আমাৰ সকলোৰে পৰিচিত কিন্তু বৰ্তমান দুষ্প্ৰাপ্য হৈ পৰা শগুণৰ প্ৰধান বৈশিষ্ট। এনে বিশেষ চাৰিত্ৰিক বৈশিষ্টৰ অধিকাৰী হোৱাৰ সূত্ৰে স্থলজ পৰিস্থিতি তন্ত্ৰ সমূহত শগুণৰ এক অনন্য আৰু গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু কিনো প্ৰকৃততে শগুণৰ এই মহান ভূমিকা? চাফাইকাৰী প্ৰাণী হিচাপে শগুণে মৰাশ খাই জীয়াই থাকে আৰু এনেদৰে মৰাশ ভক্ষণ কৰি দৰাচলতে শগুণে দুৰ্গন্ধ বিয়পাৰ সম্ভাৱনা নোহোৱা কৰি পেলায়। গতিকে মৰাশ ভক্ষণ কৰা কাৰণে আমি শগুণক সততে ঘিণাও যদিও বাস্তৱিকতে মৰা জীৱ-জন্তু খাই সিহঁতে পৰিবেশ নিকা কৰি ৰখাত সহায় কৰে। প্ৰাকৃতিক পৰিবেশত শগুণৰ এই গুৰুত্বপূৰ্ণ ভূমিকালৈ লক্ষ্য ৰাখি যথাৰ্থতেই শগুণবোৰক পৰিবেশৰ "চাফাই কৰ্মী" বা "প্ৰকৃতিৰ হৰিজন" বুলি অভিহিত কৰা হৈছে।

বিশ্বৰ বিভিন্ন প্ৰান্তত পোৱা শগুণবোৰক ক্ৰম বিৱৰ্তনৰ পৰিক্ৰমাত সিঁহতৰ উপৰি পুৰুষ কোন আছিল তাৰ ওপৰত ভিত্তি কৰি ঘাইকৈ "নতুন পৃথিৱীৰ শগুণ" আৰু "পুৰণা পৃথিৱীৰ শগুণ" এই দুটা ভাগত ভাগ কৰা হৈছে। ইয়াৰে প্ৰথম ভাগটোৱে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাত প্ৰাপ্ত ৭ টা প্ৰজাতিক সামৰি লয়। আনহাতে এছীয়া, ইউৰোপ আৰু আফ্ৰিকা — এই তিনিখন মহাদেশত পোৱা বাকী ১৫ বিধ প্ৰজাতিৰ শগুণক দ্বিতীয় ভাগত ভাগ কৰা হৈছে। এখন এছীয় দেশ আমাৰ ভাৰতবৰ্ষ "পুৰণা পৃথিৱীৰ শগুণ" ৰ ১৫ টা প্ৰজাতিৰ ভিতৰত ৯ টা প্ৰজাতিৰ প্ৰাপ্তি বৰ্তমানলৈ লিপিবদ্ধ কৰা হৈছে। আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলত আকৌ ভাৰতত পোৱা ৯ টা প্ৰজাতিৰ ভিতৰৰ ৮ টা প্ৰজাতিয়েই বিৰাজমান। তলৰ তালিকাত অসমত পোৱা ৮ টা প্ৰজাতিৰ শগুণৰ স্থানীয় নাম, ইংৰাজী নাম আৰু বৈজ্ঞানিক নামবোৰ দিয়া হ'ল।

| ক্ৰমিক | ইংৰাজী নাম | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|---|
| ১ | lammergier Vulture | | Gypactus barbatus |
| ২ | Egyptian Vulture | | Neophron percnopterus |
| ৩ | White rumped Vulture | পাতি শগুণ | Gyps benga lensis |
| ৪ | Himalayan Griffon | | Gyps himalayansis |
| ৫ | Eurasian Griffon | | Gyps fulvus |
| ৬ | Slender billed Vulture | মিহি ঠোঁটৰ শগুণ | Gyps tenurostris |
| ৭ | Cirereous Vulture | | Aegypius monochus |
| ৮ | King Volture or Red headed Vulture | ৰজা শগুণ বা তামুলী শগুণ | Sarcogyps calvus |

